# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 27-10-2025

**Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## *Headlines*

oooooo

১। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে অহা পাঁচ বছৰৰ ভিতৰত প্ৰায় ২০০টা গভীৰ সাগৰত মাছ ধৰিব পৰা পাত্ৰ সমবায় ভিত্তিত বিতৰণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে কয় যে বৰ্তমানৰ সময়ছোৱাত গোলকীয় শান্তি বৰ্তাই ৰখাৰ বাবে সমগ্ৰ পৃথিৱীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যুৱ বিষয়াৰ নেতৃত্বত সদাসজাগ আৰক্ষী বাহিনীয়ে বিকশিত ভাৰত গঢ়াত মুখ্য ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট্‌ পূজা সন্ধ্যা অৰ্ঘ্য উপলক্ষে দেশবাসীক ওলগ জনাইছে।

*আৰু*

৫। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় বীজ নিগমৰ এটা অত্যাধুনিক বীজ প্ৰসংস্কৰণ প্ৰকল্প মুকলি কৰে।

oooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইত ভাৰত-সামুদ্ৰিক সপ্তাহ ২০২৫ উদ্বোধন কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে অহা পাঁচ বছৰৰ ভিতৰত প্ৰায় ২০০টা গভীৰ সাগৰত মাছ ধৰিব পৰা পাত্ৰ সমবায় ভিত্তিত বিতৰণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত আজি মুম্বাইৰ মাজগন বন্দৰত উপস্থিত হৈ হিতাধিকাৰীসকলৰ মাজত এনে ধৰণৰ দুটা মৎস পাত্ৰ বিতৰণ কৰি আৰু লগতে এনে পাত্ৰৰ পঞ্জীয়নৰ প্ৰমাণ পত্ৰ বিতৰণ কৰি তেওঁ এনেদৰে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে সাগৰত উৎপাদিত সম্পদসমূহ আহৰণ আৰু ৰপ্তানিৰ জৰিয়তে ভাৰতৰ মৎস্য উদ্যোগক আগবঢ়াই নিয়া তথা এই উদ্যোগৰ জৰিয়তে মাছমৰীয়াসকল যাতে লাভান্বিত হয় তাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। ভাৰতৰ বৃহৎ বন্দৰ সম্পদৰ উজ্জ্বল ভৱিষ্যতৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই মৎস্য উদ্যোগ ভালদৰে গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা আছে। তেওঁ লগতে জানিবলৈ দিয়ে যে ২০১৪ চনত ১০২ লাখ টন সাগৰীয় সামগ্ৰী উৎপাদন হৈছিল আৰু বৰ্তমান এই পৰিমাণ বৃদ্ধি হৈ ১৯৫ লাখ টন হৈছেগৈ। ঘৰুৱাভাৱে উৎপাদিত সামগ্ৰী ২০১৪ চনৰ ৬৭ লাখ টনৰ পৰা বৰ্তমান ১৪৭ লাখ টন হৈছেগৈ। শ্ৰীশ্বাহে মৎস্য উদ্যোগৰ গুৰুত্বৰ কথা দোহাৰি কয় যে প্ৰতিজন ব্যক্তি আৰু প্ৰতিটো পৰিয়াল সঠিকভাৱে নিয়োজিত হৈ এই উদ্যোগত আত্মনিৰ্ভৰশীলতাৰ জৰিয়তে ভালদৰে সংস্থাপিত হ'ব পাৰে। একেটা অনুষ্ঠানতে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে ৰাইজক উদ্দেশ্যি কয়, যে মাছমৰীয়াসকলে সমবায় সংস্থাসমূহৰ জৰিয়তে বেংকৰ পৰা ঋণৰ সুবিধা গ্ৰহণ কৰিব পাৰে। তেওঁ লগতে কয়, যে অনাগত পাঁচ বছৰত বিতৰণ কৰিবলগীয়া মৎস্য সংগ্ৰহৰ পাত্ৰসমূহে ভাৰতৰ সামুদ্ৰিক অৰ্থনীতিক টনকিয়াল কৰাত সহায় কৰিব আৰু এনেদৰে দেশৰ অৰ্থনীতিৰ ওপৰতো শক্তিশালী প্ৰভাৱ পেলাব। শ্ৰীফাড়নবিছে যোৱাটো বছৰত মাছৰ উৎপাদন ৪৫ শতাংশলৈ বৃদ্ধি পোৱাৰ কথা জানিবলৈ দিয়াৰ লগতে খুব সোনকালে ৰাজ্যখনত এই উৎপাদন আৰু বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে। গৃহ মন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় সমবায় বিকাশ সংস্থা এন-চি-ডি-চিৰ জৰিয়তে

মৎস্য সংগ্ৰহ পাত্ৰসমূহ ক্ৰয় কৰিবৰ বাবে প্ৰয়োজন হোৱা পুঁজিৰ ব্যৱস্থা কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে। এই অনুষ্ঠানত উপ-মুখ্যমন্ত্ৰী একনাথ সিন্ধে আৰু অজিত পাৱাৰ, ৰাজ্যিক সমবায় মন্ত্ৰী মুৰলীধৰ ম'হ'ল, সমবায় মন্ত্ৰী বাবা চাহেব পাটিলৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে বৰ্তমানৰ সময়ছোৱাত গোলকীয় শান্তি বৰ্তাই ৰখাৰ বাবে সমগ্ৰ পৃথিৱীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ ওপৰত গুৰুত্ব দিয়া উচিত। আজি মালয়েছিয়াৰ কোৱালালামপুৰত অনুষ্ঠিত হোৱা বিংশতিতম পূব-এছীয় সন্মিলনত ভাষণ প্ৰদান কৰি এনেদৰে উল্লেখ কৰে। তেওঁ লগতে কয় যে সন্ত্ৰাসবাদৰ প্ৰতি প্ৰতিবাদ কৰিব পৰা অধিকাৰৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ গ্ৰহণ কৰিব নালাগে আৰু সামূহিকভাৱে ইয়াৰ প্ৰতিবাদ কৰা উচিত। শ্ৰীজয়শংকৰে সামুদ্ৰিক সহযোগিতা ৰক্ষাৰ বাবে ভাৰত বদ্ধপৰিকৰ বুলি উল্লেখ কৰি কয় যে আছিয়ান দেশসমূহে ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলসমূহৰ শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে ১৯৮২ চনৰ ৰাষ্ট্ৰসংঘৰ সামুদ্ৰিক আইনসমূহ প্ৰণয়ন কৰাৰ ক্ষেত্ৰতো ভাৰতে সহযোগিতা প্ৰদান কৰিব। তেওঁ লগতে কয় যে ২০২৬ৰ বৰ্ষটোত ভাৰত-আছিয়ান সামুদ্ৰিক সহযোগিতাৰ বছৰ হিচাপে উদযাপন কৰা হ'ব। বৰ্তমান ইউক্ৰেইন আৰু গাজাৰ মাজত চলি থকা সংঘৰ্ষৰ কথা উল্লেখ কৰি ড০ জয়শংকৰে গাজা শান্তি পৰিকল্পনাক আদৰণি জনায় আৰু ইউক্ৰেইনত চলি থকা হিংসাত্মক ঘটনা শীঘ্ৰেই সমাপ্ত হোৱাটো ভাৰতে বিচাৰে বুলি দোহাৰে।

০০০০০০

উচ্চতম ন্যায়ালয়ে আজি ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত পঞ্জীয়ন হোৱা ডিজিটেল গ্ৰেপ্তাৰ কেলেংকাৰী সংক্ৰান্তীয় গোচৰৰ সবিশেষ বিচাৰি জাননী জাৰি কৰিছে। দেশত ডিজিটেল গ্ৰেপ্তাৰ কেলেংকাৰীৰ ঘটনা বৃদ্ধি পোৱাৰ লগতে জনসাধাৰণে এনে প্ৰবঞ্চকৰ জালত পৰি লাখ লাখ টকা হেৰুওৱাৰ পৰিপ্ৰেক্ষিতত উচ্চতম ন্যায়ালয়ে এই গোচৰসমূহৰ তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰাৰ কথা বিবেচনা কৰিছে। সমগ্ৰ দেশৰ এনে কেলেংকাৰীৰ সৈতে জড়িত গোচৰৰ তদন্তৰ বাবে সমল চিবিআইৰ আছেনে নাই তাক জনাবলৈ শীৰ্ষ আদালতখনে নিৰ্দেশ দিছে। দেশত ডিজিটেল গ্ৰেপ্তাৰৰ ঘটনা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত যোৱা ১৭ অক্টোবৰত শীৰ্ষ আদালতখনে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি শুনানি গ্ৰহণ কৰিছিল।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যুৱ বিষয়াৰ নেতৃত্বত ভৱিষ্যতৰ বাবে সদাসজাগ আৰক্ষী বাহিনীয়ে বিকশিত ভাৰত গঢ়াত মুখ্য ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰিছে। নতুন দিল্লীত ভাৰতীয় আৰক্ষী সেৱাৰ ২০২৪ বৰ্ষৰ প্ৰশিক্ষাৰ্থীসকলক সম্বোধন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে ক্ষমতা আৰু কৰ্তৃত্বশীল পদবীত অধিষ্ঠিত হ'বলগীয়া এই যুৱ বিষয়াসকলে কৰ্তৃত্বই যে দায়িত্বশীলতা বঢ়ায় তাক মনত ৰাখিব লাগিব। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে যুৱ বিষয়াসকলে নীতিগত দিশটো সদায় মনত ৰখা উচিত আৰু জৰুৰী পৰিস্থিতিতো ন্যায়সংগত তথা ন্যায্য পদ্ধতিহে অনুসৰণ কৰিব লাগিব। নিজকে কৰ্মদক্ষ বিষয়া হিচাপে গঢ়ি তোলাৰ সময়তো নিজৰ দয়ালু গুণ বজাই ৰাখিবলৈ চেষ্টা চলাবলৈ যুৱ বিষয়াসকলক ৰাষ্ট্ৰপতিয়ে আহ্বান জনায়। প্ৰযুক্তিয়ে আৰক্ষী সেৱাৰ ক্ষেত্ৰখনৰো পৰিৱৰ্তন সাধন কৰিছে বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে ডিজিটেল গ্ৰেপ্তাৰ বৰ্তমান সময়ৰ নাগৰিকসকলৰ বাবে অতি ভয়ংকৰ ভাবুকিস্বৰূপে দেখা দিছে। আৰক্ষী সেৱাৰ যুৱ বিষয়াসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে নতুন প্ৰযুক্তি গ্ৰহণ কৰাৰ প্ৰয়োজনত ৰাষ্ট্ৰপতিয়ে গুৰুত্ব আৰোপ কৰে।

০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি সতৰ্কতা সজাগতা দিৱস উপলক্ষে নতুন দিল্লীৰ মন্ত্ৰালয়ৰ কাৰ্যালয়ত কৰ্মৰত বহুকেইজন জ্যেষ্ঠ বিষয়া আৰু কৰ্মচাৰীৰ সৈতে মত-বিনিময় কৰে। তেওঁ কয়, যে বৰ্তমানৰ শাসন ব্যৱস্থাৰ প্ৰতিটো স্তৰতে নৈতিকতা তথা সতৰ্কতা সজাগতাৰ সংস্কৃতি এটা ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ সময় আহি পৰিছে। তেওঁ লগতে কৰিবলগীয়া আৰু কৰিব নলগীয়া কামসমূহৰ নীতি-নিৰ্দেশনাৰ তালিকাসমূহ প্ৰস্তুত কৰাৰ সময়ত গ্ৰহণ কৰা নীতি-নিয়মসমূহ সাধাৰণ লোকে বুজি পোৱা ধৰণেৰে প্ৰস্তুত কৰাৰ ওপৰত জোৰ দিয়ে। শ্ৰীনাড্ডাই এনে ধৰণেৰে সহজভাৱে প্ৰস্তুত কৰা তালিকাসমূহে সাধাৰণ নাগৰিকে কৰিব পৰা ভুলসমূহ যথেষ্ট কম কৰিব বুলিও আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে সজাগতা সৃষ্টিৰ বাবে প্ৰশিক্ষণ আৰু সামৰ্থ্য বৃদ্ধিৰ কাৰ্যসূচীসমূহ নিয়মিতভাৱে অনুষ্ঠিত কৰি থকাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

000000

বিদেশ সচিব পি কুমাৰনে আজি কুৱালালামপুৰত দক্ষিণ আৰু মধ্য এছিয়া পৰিক্ৰমা ব্যুৰোৰ আমেৰিকাৰ সহকাৰী সচিব এছ পল কাপুৰক সাক্ষাৎ কৰে। এই বৈঠকত কুমাৰন আৰু কাপুৰে ভাৰত-আমেৰিকাৰ সম্পৰ্ক সন্দৰ্ভত মত বিনিময় কৰে। কুমাৰনে কাপুৰক এই পদত নিযুক্তি লাভ কৰাৰ বাবে অভিনন্দন জনায়।

000000

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে সহজ দৈনিক আয়ৰ প্ৰতিশ্ৰুতিৰে এটা বিনিয়োগ আঁচনি প্ৰচাৰ কৰা বিষয়ক সামাজিক মাধ্যমত প্ৰচাৰিত হোৱা এটা ভিডিঅ' ভুৱা বুলি চৰকাৰে ঘোষণা কৰিছে। প্ৰেছ ইনফৰমেচন ব্যুৰোৰ তথ্যৰ সত্যাসত্য নিৰূপণকাৰী গোটে সীতাৰমনৰ ভিডিঅ'টো সম্পূৰ্ণৰূপে ভুৱা আৰু ডিজিটীয়ভাৱে প্ৰস্তুত কৰা বুলি প্ৰকাশ কৰিছে। বিত্ত মন্ত্ৰী বা চৰকাৰে এনে ধৰণৰ কোনো আঁচনি মুকলি কৰা নাই বুলি পি আই বিয়ে স্পষ্ট কৰি দিছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট্ পূজা সন্ধ্যা অৰ্ঘ্য উপলক্ষে দেশবাসীক ওলগ জনাইছে। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে অস্তগামী সূৰ্যক অৰ্ঘ্য প্ৰদান কৰাৰ পৰম্পৰাই ইয়াক অনন্য কৰি তুলিছে বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে সকলোৰে মংগলৰ বাবে প্ৰাৰ্থনা কৰাৰ লগতে সূৰ্য দেৱতাৰ আশীৰ্বাদে সকলোৰে জীৱনলৈ সুখ, সমৃদ্ধি আৰু সফলতা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে দেশৰ বিভিন্ন অংশত পৰহিৰে পৰা চাৰিদিনীয়াকৈ ষট্ মহাপৰ্ব অনুষ্ঠিত হৈছে। আজি নদী বা জলভাগত অৱস্থিত ষট্ ঘাটত অস্তগামী সূৰ্যক অৰ্ঘ্য প্ৰদান কৰা হয়। কাইলৈ ভক্তসকলে উদিত সূৰ্যক অৰ্ঘ্য আগবঢ়াব আৰু এই চাৰিদিনীয়া ষট্ উৎসৱৰ সামৰণি পৰিব।

000000

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় বীজ নিগমৰ এটা অত্যাধুনিক বীজ প্ৰসংস্কৰণ প্ৰকল্প মুকলি কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীচৌহানে এই প্ৰকল্পসমূহে কৃষকসকলৰ বাবে উন্নত মানৰ বীজ উপলভ্যতা নিশ্চিত কৰিব যি কৃষি খণ্ডৰ উৎপাদন বৃদ্ধিত অৰিহণা যোগাব বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে উন্নত মানৰ বীজৰ উপলভ্যতা নিশ্চিত কৰাটো অতি গুৰুত্বপূৰ্ণ কিয়নো মন্ত্ৰালয়ে নিম্ন মানৰ বীজ সংক্ৰান্তীয় বহু অভিযোগ লাভ কৰিছে। শ্ৰীচৌহানে বেৰেলী, দাৰবাদ, হাছান, চুৰাটগড় আৰু ৰাইচুড়ত পাঁচটা বীজ প্ৰসংস্কৰণ প্ৰকল্পৰ ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে পুছাৰ বীজ ভৱনৰ প্ৰতি ঘণ্টাত ১০০ টন বীজ প্ৰসংস্কৰণৰ সামৰ্থ্য থকাৰ বিপৰীতে আন পাঁচটা প্ৰকল্পৰ প্ৰত্যেকৰে ঘণ্টাত ৪ টনকৈ বীজ প্ৰসংস্কৰণ কৰিব পাৰে।

000000

**সমাপ্ত**